**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-SEPTEMBER-2026
**Time :** 09-00 AM

***Assamese Morning Bulletin***

——————————————

১। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ চৌপাশে পৰিৱেশ সংবেদনশীল অঞ্চল গঠন সন্দৰ্ভত স্থানীয় জনগোষ্ঠীৰ সৈতে আলোচনা কৰা হ'ব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা।
২। অহা দেওবাৰে দুদিনীয়া ভ্ৰমণসূচীৰে উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণৰ গুৱাহাটী আগমণ।
৩। পাগলাদিয়া নৈৰ পানীৰ সঠিক ব্যৱহাৰেৰে তামুলপুৰৰ এহেজাৰ ৮০০ হেক্টৰ কৃষিভূমি সামৰি ৰাজ্য চৰকাৰৰ প্ৰকল্প ৰূপায়ণৰ পৰিকল্পনা।
৪। ৰাজ্যৰ দক্ষ নাৰ্চসকলৰ বাবে ছিংগাপুৰত কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিবলৈ অসম চৰকাৰৰ গুৰুত্বপূৰ্ণ পদক্ষেপ। *আৰু*
৪। অৰ্জুন বঁটাৰে সন্মানিত প্ৰথমগৰাকী অসমীয়া ক্ৰীড়াবিদ ভোগেশ্বৰ বৰুৱাৰ জন্মদিন উপলক্ষে আজি ৰাজ্যজুৰি অভিৰুচি ক্ৰীড়া দিৱস পালন।

০০০০০০

ৰাজ্য চৰকাৰে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ চৌপাশে পৰিৱেশ সংবেদনশীল অঞ্চল গঠন সন্দৰ্ভত উচ্চতম ন্যায়ালয়ে দিয়া নিৰ্দেশ ৰূপায়ণ কৰাৰ পূৰ্বে স্থানীয় জনগোষ্ঠীৰসমূহৰ সৈতে আলোচনা কৰিব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। দেৰগাঁৱত কালি অসম আৰক্ষীৰ উপ অধীক্ষক আৰু নৱ নিযুক্ত কনিষ্টবলসকলৰ দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰাৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত কয়, যে পৰিৱেশ সংবেদনশীল অঞ্চল চূড়ান্ত কৰাৰ সময়ত ৰাষ্ট্ৰীয় উদ্যানখনৰ ওচৰ পাজৰে বাস কৰা জনসাধাৰণৰ উদ্বেগ আৰু জটিলতাসমূহ দূৰ কৰিব লাগিব। তেওঁ কয়, যে কাজিৰঙাত দীৰ্ঘকালীন সুৰক্ষা উদ্যানখনৰ চৌপাশে বাস কৰা জনগোষ্ঠীসমূহৰ সহায়-সহযোগিতাৰ ওপৰত নিৰ্ভৰ কৰে। কাজিৰঙাৰ চৌপাশৰ জৈৱ সংবেদনশীল অঞ্চলসমূহৰ প্ৰস্তাৱিত সাল-সলনিক লৈ বিৰোধী কংগ্ৰেছ দলে অলপতে সাব্যস্ত কৰা প্ৰতিবাদক লৈ কটাক্ষ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বৰ্তমান চৰকাৰে গঁড়ৰ চোৰাং চিকাৰ ৰোধ কৰিবলৈ সমৰ্থ হৈছে আৰু কাজিৰঙা গৌৰৱ কৰিব পৰা স্থানলৈ ৰূপান্তৰ কৰিছে। উদ্যানখনত ভালেমান উন্নয়নমূলক কাম ৰূপায়ণ কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে।

**বাইট ঃ মুখ্যমন্ত্ৰী**

০০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ অহা দেওবাৰে দুদিনীয়া ভ্ৰমণসূচীৰে গুৱাহাটীলৈ আহিব। এই ভ্ৰমণ কালত উপ ৰাষ্ট্ৰপতিগৰাকীয়ে কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। তেওঁ দেওবাৰে পুৱা চাৰে ১০ বজাত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ এটা অনুষ্ঠানত উপস্থিত থাকিব। সেইদিনাই বিয়লি ৩ বাজি ১৫ মিনিটত উপ ৰাষ্ট্ৰপতিগৰাকীয়ে খানাপাৰাৰ জ্যোতি বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত এটা অনুষ্ঠানত ভাগ ল'ব। উপ

ৰাষ্ট্ৰপতিগৰাকীয়ে নিশা গুৱাহাটীত কটাব। তেওঁ সোমবাৰে গুৱাহাটী বিশ্ববিদ্যালয়ত হ'বলগীয়া এটা অনুষ্ঠানত অংশ ল'ব।

০০০০০০

ভূটান পাহাৰৰ পৰা বৈ অহা পাগলাদিয়া নৈৰ পানীক সঠিকভাৱে ব্যৱহাৰ কৰি তামুলপুৰৰ ভাৰত-ভূটান সীমান্তৰ এহেজাৰ ৮০০ হেক্টৰ কৃষিভূমি সামৰি এটা প্ৰকল্প ৰূপায়ণৰ বাবে ৰাজ্য চৰকাৰে পৰিকল্পনা হৈছে। কালি ভাৰত-ভূটান সীমান্তৰ সুৱনখাটাৰ মানস চৌকি পৰিদৰ্শন কৰি কৃষি আৰু জলসিঞ্চন আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকা আৰু তামুলপুৰৰ বিধায়ক তথা দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে এই বিষয়ে প্ৰকাশ কৰে। এই প্ৰকল্পৰ অধীনত ক্ষুদ্ৰ জলাধাৰ আৰু একুৱাডাক্ট নিৰ্মাণ কৰাৰ উপৰি পুৰণি শ্লুইছ গে'টটো পুনৰ নিৰ্মাণ আৰু শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব। মন্ত্ৰী দুগৰাকীয়ে কালি তামুলপুৰৰ দৰংগা নৈৰ ওপৰত থকা হাতীডুবা জলসিঞ্চন আঁচনি আৰু কালানদীৰ জলসিঞ্চন আঁচনি পৰিদৰ্শন কৰে। তেওঁ লগতে বগামাটিৰ বৰনদী আঁচনিও পৰ্যবেক্ষণ কৰে। অঞ্চলটোৰ সকলো প্ৰস্তাৱিত আঁচনি ফলপ্ৰসূ হ'লে জিলাখনত মুঠ জলসিঞ্চনপ্ৰাপ্ত কৃষিভূমিৰ পৰিমাণ ৮ হাজাৰলৈ বৃদ্ধি হ'ব বুলি মন্ত্ৰীগৰাকীয়ে কয়। ইয়াৰ ফলস্বৰূপে স্থানীয় কৃষকসকলে এটা বছৰত তিনিবাৰকৈ শস্য উৎপাদন কৰিব পাৰিব বুলি শ্ৰীহাজৰিকাই উল্লেখ কৰে।

**বাইট (পীযুষ)**

মন্ত্ৰী শ্ৰীহাজৰিকাই জিলাখনৰ চেঁচাপানীত দৈমালু বসুমতাৰী নামৰ এগৰাকী উদ্যমী কৃষকৰ ড্ৰেগন ফলৰ খেতি পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে ৫ বিঘা ভূমিত ড্ৰেগন ফলৰ খেতিৰে বছৰি প্ৰায় ৬ লাখ টকা উপাৰ্জন কৰাৰ সমান্তৰালকৈ ৬ বিঘা মাটিত তামোলৰ বাগান আৰু তিল খেতিৰে স্বাৱলম্বী হৈ উঠা দৈমালু বসুমতাৰীৰ প্ৰয়াসৰ প্ৰশংসা কৰে।

০০০০০০

ৰাজ্য চৰকাৰে অসমৰ প্ৰশিক্ষিত আৰু দক্ষ নাৰ্চসকলৰ বাবে ছিংগাপুৰত কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰাৰ উদ্দেশ্যে গুৰুত্বপূৰ্ণ পদক্ষেপ লৈছে। এই উদ্দেশ্যে ছিংগাপুৰৰ স্বাস্থ্য মন্ত্ৰালয়ৰ অধীনত জনস্বাস্থ্য সেৱাৰ কোম্পানী এম অ' এইচ এইচৰ দুজনীয়া প্ৰতিনিধি দলে অসম ভ্ৰমণ কৰি ৰাজ্যখনৰ চিকিৎসা-শিক্ষা, নাৰ্ছিং শিক্ষা আৰু স্বাস্থ্য সেৱা ব্যৱস্থাৰ বিভিন্ন দিশ সম্পৰ্কে আলোচনা কৰে। এম অ' এইচ এইচৰ মুখ্য কাৰ্যবাহী বিষয়া এন্থনী টান আৰু স্বাস্থ্য সেৱা মানৱ সম্পদ বিভাগৰ সহকাৰী সঞ্চালক জেৰেমী ছেনক লৈ গঠিত দলটোৱে ভ্ৰমণ কালত চিকিৎসা-শিক্ষা আৰু গৱেষণা বিভাগৰ আয়ুক্ত তথা সচিব তথা ডঃ সিদ্ধাৰ্থ সিঙৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। আলোচনা কালত অসমৰ চিকিৎসা শিক্ষা, নাছিং শিক্ষা আৰু আনুষংগিক স্বাস্থ্য শিক্ষা ব্যৱস্থাৰ লগতে ৰাজ্যত উপলব্ধ প্ৰশিক্ষিত আৰু দক্ষ স্বাস্থ্য কৰ্মীৰ বিষয়ে ছিংগাপুৰৰ প্ৰতিনিধি দলটোৰ আগত বিশদভাৱে উপস্থাপন কৰে। বৈঠকত অসমৰ দক্ষ নাছিং পেছাদাৰীসকলক ছিংগাপুৰৰ স্বাস্থ্যসেৱা খণ্ডত কৰ্মসংস্থাপনৰ সুযোগ প্ৰদানৰ সম্ভাৱনাৰ বিষয়ে গুৰুত্ব সহকাৰে আলোচনা কৰা হয়। অসমৰ দক্ষ নাৰ্ছসকলৰ বাবে নিয়মীয়াকৈ বিশেষকৈ বছৰি নিযুক্তি প্ৰক্ৰিয়া চলোৱাৰ এটা প্ৰস্তাৱৰ বিষয়েও বৈঠকত আলোচনা কৰা হয়।

০০০০০০

বিশ্ববৰেণ্য শিল্পী ড০ ভূপেন হাজৰিকাৰ বছৰজোৰা জন্ম শতবাৰ্ষিকী উদযাপনৰ সামৰণি অনুষ্ঠান অহা ৮ ছেপ্তেম্বৰত অনুষ্ঠিত হ'ব। নতুন দিল্লীৰ ভাৰত মণ্ডপমত এই উপলক্ষে আয়োজিত কাৰ্যসূচীত বৰেণ্য

শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই তেওঁৰ অমৰ সৃষ্টিৰাজি, মানৱতাবাদ আৰু সাংস্কৃতিক সমন্বয়ৰ বাৰ্তা দেশজুৰি প্ৰচাৰ কৰা হ'ব। জন্ম শতবৰ্ষৰ সামৰণি অনুষ্ঠান উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত সুধাকণ্ঠৰ প্ৰতি শ্ৰদ্ধা জনাই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰা কালি এনে কাৰ্যসূচীৰ প্ৰস্তুতিৰ বুজ লোৱাৰ বাবে জালুকবাৰীৰ ড০ ভূপেন হাজৰিকা সমন্বয় তীৰ্থত উপস্থিত হয়। এই উপলক্ষে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ অতিৰিক্ত মুখ্য সচিব ড০ বি কল্যাণ চক্ৰৱৰ্তী, যুটীয়া সচিব প্ৰশান্ত বৰুৱা, সঞ্চালক ৰাহুল চন্দ্ৰ দাস, লোক নিৰ্মাণ বিভাগ মুখ্য অভিযন্তা মহেন্দ্ৰ দাস আদিৰ লগতে ড০ ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ বিষয়ববীয়াসকলৰ সৈতে অনুষ্ঠানসমূহ সন্দৰ্ভত মন্ত্ৰী শ্ৰীবৰাই বৈঠকত মিলিত হয়। ড০ ভূপেন হাজৰিকা সমন্বয় তীৰ্থত জন্মদিনৰ কাৰ্যসূচীত ১০০ গৰাকী শিল্পীয়ে **বিস্তীৰ্ণ পাৰৰে** শীৰ্ষক গীতটি পৰিবেশন কৰিব। এই অনুষ্ঠানতে শিল্পীগৰাকীৰ জীৱন পৰিক্ৰমা বিষয়ক এখন তথ্যচিত্ৰ প্ৰদৰ্শন কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ চৌহদত নিৰ্মাণ কৰিবলগীয়া ড০ ভূপেন হাজৰিকা সংগ্ৰহালয়ৰ আধাৰশিলাও এই অনুষ্ঠানৰ পৰাই স্থাপন কৰিব। একেদিনাই শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ড০ ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসে ১০০খন পতাকা উত্তোলন কৰাৰ লগতে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰো আয়োজন কৰা হৈছে। এই দিনটোতে ৰাজ্যৰ বিদ্যালয়সমূহত সুধাকণ্ঠৰ গীত পৰিৱেশন কৰা হ'ব। সাংস্কৃতিক মন্ত্ৰীগৰাকীয়ে এই সন্দৰ্ভত সাংবাদিকৰ আগত এনেদৰে কয়—

**বাইট (বিমল বৰা)**

ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ বছৰজোৰা কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি কালি মৰিগাঁৱৰ মতিৰাম বৰা আদৰ্শ মাধ্যমিক বিদ্যালয়ত মনোৰম সংগীতানুষ্ঠানৰ আয়োজন কৰা হয়। তদুপৰি সুধাকণ্ঠৰ জীৱন আৰু কৰ্ম সম্পৰ্ক বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰা হয়।

০০০০০০

ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগমে ব্ৰহ্মপুত্ৰৰ তলেৰে নিৰ্মাণ হ'বলগীয়া দেশৰ প্ৰথমটো চাৰিটা লেনযুক্ত দ্বৈত টিউব টানেল প্ৰকল্পৰ বাবে নিবিদা আহ্বান কৰিছে। গহপুৰৰ পৰা উজনি অসমৰ নুমলীগড়লৈ নিৰ্মাণ হ'বলগীয়া এই প্ৰকল্পৰ মুঠ দৈৰ্ঘ্য ৩৩ দশমিক ৭-০ কিলোমিটাৰ হ'ব। প্ৰকল্পটোত চাৰিটা লেনযুক্ত পথৰ লগতে ব্ৰহ্মপুত্ৰৰ তলেদি প্ৰায় ১৫ দশমিক ৭-৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ দ্বৈত টিউব টানেল নিৰ্মাণ কৰা হ'ব। দুয়োটা টিউবত দুটাকৈ লেন থাকিব আৰু ইয়াৰে এটা টিউবত ৰে'ল চলাচলৰ বাবে বিশেষ ব্যৱস্থা সন্নিৱিষ্ট কৰা হ'ব। প্ৰকল্পটোৰ মুঠ মূলধনী ব্যয় ১৮ হাজাৰ ৬৬২ কোটি ২ লাখ টকা ধাৰ্য কৰা হৈছে। এই সুৰংগ তথা কৰিডৰ সম্পূৰ্ণ হ'লে গহপুৰ-নুমলীগড়ৰ মাজৰ দূৰত্ব ২৪০ কিলোমিটাৰ হ্ৰাস পাই প্ৰায় ৩৪ কিলোমিটাৰ হ'ব। প্ৰকল্পটোৰ কাম সম্পূৰ্ণ হ'লে গহপুৰ-নুমলীগড়ৰ মাজত যাত্ৰাৰ সময় ৬ ঘণ্টাৰ পৰা ২০ মিনিটলৈ হ্ৰাস পাব বুলি আশা কৰা হৈছে। প্ৰকল্পটোৱে অকল ৰাজ্যৰ দুটা গুৰুত্বপূৰ্ণ অঞ্চলক সংযোগ কৰাই নহয় বৰং সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ যোগাযোগ ব্যৱস্থাক গতি প্ৰদান কৰিব।

০০০০০০

অৰ্জুন বঁটাৰে সন্মানিত প্ৰথমগৰাকী অসমীয়া ক্ৰীড়াবিদ ভোগেশ্বৰ বৰুৱাৰ জন্মদিন উপলক্ষে আজি ৰাজ্যজুৰি অভিৰুচি ক্ৰীড়া দিৱস পালন কৰা হৈছে। এই উপলক্ষে গুৱাহাটীৰ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত ৪৩ সংখ্যক অভিৰুচি ক্ৰীড়া দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচী অনুষ্ঠিত হৈছে। ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত আজি পুৱা ৬ বাজি ১৫ মিনিটৰ পৰা সামুহিক দৌৰ অনুষ্ঠিত হয়। ক্ৰীড়া মন্ত্ৰী বিশ্বজিৎ দৈমাৰী, একালৰ তাৰকা খেলুৱৈ তৈবুননেচা, অভিনেতা যতীন বৰাকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে

এই সামুহিক দৌৰত অংশগ্ৰহণ কৰে। অভিৰুচি ক্ৰীড়া দিৱসৰ দ্বিতীয় দিনা, নবীন চন্দ্ৰ বৰদলৈ ইন্দোৰ ষ্টেডিয়ামত কাইলৈ পুৱা চাৰে ৯ বজাত আন্তঃ শিক্ষানুষ্ঠান পি টি আৰ নৃত্য প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। একেটা স্থানতে বিয়লি চাৰে ৫ বজাত খেলুৱৈ আৰু ক্ৰীড়া সংগঠকক সম্বৰ্ধনা জনোৱা হ'ব।

গোৱালপাৰা জিলাতো আজি জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত অভিৰুচি ক্ৰীড়া দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। এই উপলক্ষে পুৱা সামুহিক দৌৰ অনুষ্ঠিত হয়। বিয়লি হ'বলগীয়া অনুষ্ঠানত কেইবাগৰাকী ক্ৰীড়া সংগঠক আৰু প্ৰবীণ খেলুৱৈক সম্বৰ্ধনা জনোৱা হ'ব।

০০০০০০

দেশৰ আগশাৰীৰ দৌৰবিদ হিমা দাসে যুৱ প্ৰজন্মৰ নম্ৰ হৈ থাকিবলৈ, ভাল অভ্যাস গঢ়ি তুলিবলৈ আৰু খেল-ধেমালিক জীৱন অবিচ্ছেদ্য অংগ কৰি ল'বলৈ আহ্বান জনাইছে। গুৱাহাটীৰ বি. বৰুৱা মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ সৈতে হোৱা এটা বিনিময় অনুষ্ঠানত খেলুৱৈগৰাকীয়ে সফলতা অৰ্জন কৰাৰ পাছতো নম্ৰ আৰু মূল্যবোধ বৰ্তাই ৰখাত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে ছাত্ৰ-ছাত্ৰীসকলক কেৰিয়াৰে নহয় বৰং জীৱনকো সুন্দৰ ৰূপ দিব পৰা সু-অভ্যাস আঁকোৱালি ল'বলৈ আহ্বান জনায়। শাৰীৰিক কাম-কাজৰ বিষয়ে গুৰুত্ব আৰোপ কৰি আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন এথলিটগৰাকীয়ে প্ৰতিগৰাকী শিক্ষাৰ্থীক কোনো নহয় কোনো খেল ধেমালিত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। সুস্থ আৰু সু-শৃংখল জীৱন গঢ়াত ক্ৰীড়াই এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে বুলি তেওঁ মন্তব্য কৰে।

০০০০০০

গুৱাহাটীৰ সোণাপুৰ থানাৰ অন্তৰ্গত মৰকডোলাত আজি পুৱা আৰক্ষীৰ গুলীত দুজন গাড়ী চোৰ নিহত হয়। নিহত চোৰ দুজন কাছাৰৰ ছাইদুল আলম লস্কৰ আৰু মণিপুৰৰ বাবু সিং বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে। পলায়নৰ চেষ্টা কৰাৰ সময়ত আৰক্ষীয়ে পিছ লৈ গুলীচালনা কৰাৰ ফলত চোৰ দুজনৰ থিতাতে মৃত্যু হয়। আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা দুটা পিষ্টল, মোবাইল ফোন, গাড়ী আৰু চুৰি কাৰ্যত ব্যৱহৃত অন্যান্য সামগ্ৰী উদ্ধাৰ কৰে।

০০০০০০

সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰৰ ডুবাই আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া মহিলাৰ টি-২০ এছিয়া কাপৰ গ্ৰুপ-এৰ দ্বিতীয়খন খেলত ভাৰতে আজি হংকঙৰ বিৰুদ্ধে খেলিব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব। যোৱা দেওবাৰে ডুবাইত থাইলেণ্ডৰ বিৰুদ্ধে ৯৪ ৰানেৰে ভাৰতীয় দলটোৱে জয়লাভ কৰে।

যোৱা নিশা ডুবাইত অনুষ্ঠিত গ্ৰুপ 'বি' ৰ খেলখনত শ্ৰীলংকাই ইণ্ডোনেছিয়াক ৭৫ ৰানত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি শ্ৰীলংকাই নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১২৪ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ইণ্ডোনেছিয়াই ১৮ অভাৰ আৰু ৩টা বলত আটাইকেইটা হেৰুৱাই মাত্ৰ ৪৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। শ্ৰীলংকাৰ হৈ ৭টা উইকেট দখল কৰা চামাৰী আথাপথ্থুক প্লেয়াৰ অৱ দ্য মেচ ঘোষণা কৰা হয়।

০০০০০০

গোলাঘাট জিলাৰ দেৰগাঁওস্থিত লাচিত বৰফুকন পুলিচ একাডেমীত কালি অসম আৰক্ষীয়ে উপ-আৰক্ষী অধীক্ষক আৰু নৱনিযুক্ত আৰক্ষী কনিষ্টবলসকলৰ দীক্ষান্ত সমাৰোহ অনুষ্ঠিত হোৱাৰ বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে ভিন ভিন শিৰোনামেৰে মুখ্য বাতৰিৰূপে প্ৰকাশ

কৰিছে। নিয়মীয়া বাৰ্তা কাকতৰ শিৰোনাম **আৰক্ষীত ১৫-২০ হাজাৰ যুৱক-যুৱতীক দিব নিযুক্তি**। অসমীয়া খবৰ কাকতৰ শিৰোনাম **মহিলা-শিশুৰ বিৰুদ্ধে অপৰাধ নিয়ন্ত্ৰণত কঠোৰ হ'ব লাগিব অসম আৰক্ষী।** একেটা বাতৰিকে দি আছাম ট্ৰিবিউন আৰু দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ৰাষ্ট্ৰসংঘৰ শেহতীয়া এখন প্ৰতিবেদনত প্ৰকাশিত তথ্য অনুসৰি সাগৰৰ জলস্তৰ বৃদ্ধিৰ ফলত কলকাতা, মুম্বাই আৰু ঢাকাৰ দৰে দক্ষিণ এছিয়াৰ নিম্নভূমি অঞ্চলৰ চহৰসমূহৰ এক কোটি ৪০ লাখতকৈও অধিক লোক ক্ষতিগ্ৰস্ত হোৱাৰ আশংকা কৰা হৈছে। এই বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে গুৰুত্ব সহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় চৰকাৰৰ ভাৰতত পথ দুৰ্ঘটনা শীৰ্ষক এখন প্ৰতিবেদনত প্ৰকাশিত তথ্য অনুসৰি যোৱা ৫ বছৰৰ ভিতৰত ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত পথ দুৰ্ঘটনাত অসমৰ ৭ সহস্ৰাধিক যুৱক-যুৱতীয়ে প্ৰাণ হেৰুৱাইছে। এই বাতৰিটো দৈনিক অসম কাকতে **৫ বছৰতে ৰাষ্ট্ৰীয় ঘাইপথত নিহত ৭ হাজাৰ ৮৯** শিৰোনামেৰে প্ৰধান বাতৰিত স্থান দিছে।

ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগমে ব্ৰহ্মপুত্ৰৰ তলেৰে নিৰ্মাণ হ'বলগীয়া দেশৰ প্ৰথমটো চাৰিটা লেনযুক্ত দ্বৈত টিউব টানেল প্ৰকল্পৰ বাবে নিবিদা আহ্বান কৰাৰ বাতৰিটো আমাৰ অসম আৰু দা ছেণ্টিনেল কাকতে বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় তদাৰকী আয়োগৰ এখন প্ৰতিবেদনত প্ৰকাশিত তথ্য অনুসৰি দেশত ২০২৫ বৰ্ষত চৰকাৰী সংস্থা আৰু প্ৰতিষ্ঠানসমূহৰ বিৰুদ্ধে ৭০ হাজাৰ ৫০০তকৈও অধিক দুৰ্নীতিৰ অভিযোগ ৰুজু কৰা হৈছে। এই বাতৰিটো দৈনিক জনমভূমি কাকতে তথ্য সহকাৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

এতিয়া আহক আমি পুনৰ বাতৰিৰ মাজলৈ উভতি যাওঁ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী ঢেৰেকনিৰে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা, মেঘালয় আৰু মণিপুৰৰ ঠাই বিশেষে মজলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**